# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ২৭/২০২০

**নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৪ তম্ জন্মবাৰ্ষিকী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ**

## উৎসৰ্গিত মনোভাৱেৰে ৰাষ্ট্ৰ নিৰ্মাণত জড়িত হ'বলৈ যুৱ প্ৰজন্মক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২৩ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে নেতাজী সুভাষ চন্দ্ৰ বসুৱে দেশাত্মবোধৰ উৎকৃষ্ট উদাহৰণ আমাক দেখুৱাই থৈ গৈছে। দেশৰ স্বাধীনতাৰ বাবে নেতাজীয়ে সৰ্বোচ্চ ত্যাগ কৰিছে। ৰাজ্যখনৰ জনসাধাৰণে শান্তি-সম্প্ৰীতিৰ পৰিৱেশে অব্যাহত নাৰাখিলে নেতাজীৰ আদৰ্শৰ প্ৰতি অসন্মান কৰাটোকে বুজাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সকলোকে সাতামপুৰুষীয়া ভাতৃত্ববোধ আৰু বন্ধুত্বপূৰ্ণ পৰিৱেশ ৰাজ্যখনত বজাই ৰাখিবলৈ আহ্বান জনায়। আজি মহানগৰীৰ পল্টন বজাৰৰ নেতাজী চ'কত নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৪ তম্ জন্মবাৰ্ষিকী উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি সোণোৱালে কয় যে আমাৰ নতুন প্ৰজন্মই এই গৰাকী মহান দেশপ্ৰেমিকে ৰাষ্ট্ৰক কিদৰে ভাল পাইছিল সেই সম্পৰ্কত সবিশেষ জ্ঞান লাভ কৰিবলৈ হ'লে নেতাজীৰ বিষয়ে অধ্যয়ন কৰিব লাগিব।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে নেতাজী সুভাষ চন্দ্ৰ বসু আছিলৰ এগৰাকী ব্যতিক্ৰমী ব্যক্তিত্বৰ ব্যক্তি। সকলো বৈষয়িক সুখ পৰিহাৰ কৰি পৰাধীনতাৰ পৰা দেশক মুক্ত কৰিবলৈ স্বাধীনতা আন্দোলত জড়িত হৈ পৰিছিল। মুখ্যমন্ত্ৰীয়ে সুভাষ চন্দ্ৰ বসুৰ জীৱন-কৃতি আৰু দৰ্শন নতুন প্ৰজন্মই যাতে আহৰণ কৰিব পাৰে তাৰ বাবে এইগৰাকী মহান দেশপ্ৰেমিকৰ বিষয়ে অধ্যয়ন কৰিবলৈ উৎসাহিত কৰাৰ বাবে শিক্ষক আৰু অভিভাৱকসকলক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে সমাজত শান্তি আৰু একতা থাকিলেহে এখন সমাজে প্ৰগতিৰ পথেৰে আগবাঢ়িব পাৰে। নেতাজীয়ে মাতৃ ভূমিক ভালপোৱা আৰু দেশৰ বাবে জীৱন উৎসৰ্গিত কৰি দেশাত্মবোধৰ যি আদৰ্শ দেখুৱাই গৈছে তাক অনুসৰণ কৰিবলৈ যুৱ প্ৰজন্মক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

সভাত মুখ্যমন্ত্ৰীয়ে কয় যে নেতাজীৰ এটা ব্ৰঞ্জৰ মূৰ্ত্তি নিৰ্মাণৰ ৰাজ্য চৰকাৰে ২০ লাখ টকা অনুদান আগবঢ়াইছে যাতে আমাৰ উঠি অহা প্ৰজন্মই নেতাজীৰ আদৰ্শৰে দেশৰ সেৱাত মনোনিৱেশ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে আজি নেতাজীৰ ১২৪ তম্ জন্মবাৰ্ষিকী উপলক্ষে ব্ৰঞ্জৰ এই প্ৰতিমূৰ্ত্তি উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে নেতাজী সুভাষ চন্দ্ৰ বসুৰ আদৰ্শৰে ৰাজ্য চৰকাৰে বৈচিত্ৰ্যতাৰ মাজতো একতাৰ বান্ধোন কটকটীয়া কৰাৰ বাবে নিৰলস প্ৰয়াস চলাই আহিছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে জ্যোতি প্ৰসাদ আগৰৱালা আৰু সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ একতাৰ মন্ত্ৰৰে ৰাজ্যখনক সকলো ক্ষেত্ৰতে আগুৱাই নিলেহে অসম শক্তিশালী হৈ উঠিব। ভাৰতবৰ্ষৰ উন্নয়নত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যি বলিষ্ঠ উদাহৰণ দাঙি ধৰিছে তাক অনুসৰণ কৰিবলৈও যুৱ প্ৰজন্মক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে নেতাজীৰ প্ৰতিমূৰ্ত্তি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰিব ৰাখিবলৈ জনসাধাৰণক আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত বন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, সাংসদ কুইন ওজা, প্ৰাক্তন সাংসদ ৰমেন ডেকা, গুৱাহাটী পৌৰ নিগমৰ প্ৰাক্তন মেয়ৰ মৃগেন শৰণীয়া প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**স্বাঃডেঃ / পুঃডেঃ**
**২৩/০১/২০২০**